**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 13-04-2024
**Time :** 1340 Hrs.

***Assamese Midday Bulletin***

## Headlines

১। ৰাষ্ট্ৰপতি, উপ-ৰাষ্ট্ৰপতি আৰু প্ৰধানমন্ত্ৰীয়ে আজি জালিয়ানৱালাবাগত মৃত্যু হোৱা স্বাধীনতা যুঁজাৰুসকললৈ আন্তৰিক শ্ৰদ্ধা জ্ঞাপন কৰে।

২। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি কেইবাগৰাকী শীৰ্ষ গেমাৰৰ সৈতে গেমিং উদ্যোগৰ নতুন বিষয়সমূহৰ সন্দৰ্ভত আলোচনা কৰে।

৩। ৰাষ্ট্ৰীয় পৰীক্ষণ সংস্থা, NTA আজি CUET-PG ৰ ফলাফল ঘোষণা কৰিছে।

৪। ৰাষ্ট্ৰপতি আৰু প্ৰধানমন্ত্ৰীয়ে ব'হাগ বিহু, বৈশাখী, বিছু, বিষুব, পইলা বৈশাখ, বৈশাখড়ী আৰু পুতণ্ডু উপলক্ষে দেশবাসীক ওলগ জনাইছে।

*আৰু*

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি ম'হালিত হ'বলগীয়া এখন খেলত পাঞ্জাব কিংছ ৰাজস্থান ৰয়েলছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আজি জালিয়ানৱালাবাগত মৃত্যু হোৱা স্বাধীনতা যুঁজাৰুসকললৈ আন্তৰিক শ্ৰদ্ধা জ্ঞাপন কৰে। সামাজিক মাধ্যমৰ এটা পোষ্টত ৰাষ্ট্ৰপতিগৰাকীয়ে কয় যে, স্বৰাজৰ হকে জীৱন উৎসৰ্গা কৰা বীৰ ছহীদসকলৰ প্ৰতি দেশ সহায় ঋণী হৈ থাকিব। এই ছহীদসকলৰ দেশপ্ৰেমৰ মনোভাৱে অনাগত প্ৰজন্মক সদায় অনুপ্ৰাণিত কৰিব বুলিও শ্ৰীমতী মুৰ্মুৱে প্ৰকাশ কৰে।

উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখড়েও জালিয়ানৱালাবাগ হত্যাকাণ্ডৰ ছহীদসকলৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। সামাজিক মাধ্যমৰ এটা পোষ্টত উপ-ৰাষ্ট্ৰপতিয়ে স্বাধীনতা সংগ্ৰামৰ ভেটি গঠন কৰা মূল্যবোধৰ প্ৰতি সকলোকে পুনৰ প্ৰতিশ্ৰুতিবদ্ধ হ'বলৈ আহ্বান জনায়।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দেশবাসীৰ হৈ জালিয়ানৱালাবাগ হত্যাকাণ্ডত নিহত হোৱা সাহসী ছহীদসকলৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। উল্লেখযোগ্য যে ১৯১৯ চনৰ আজিৰ দিনটোতে পাঞ্জাবৰ অমৃতসৰৰ জালিয়ানৱালাবাগত ব্ৰিটিছ জেনেৰেল ডায়াৰৰ নেতৃত্বত ব্ৰিটিছ সেনাই নিৰস্ত্ৰ ভাৰতীয় লোকৰ ওপৰত নিৰ্বিচাৰে গুলীচালনা কৰিছিল। দেশৰ স্বাধীনতা সংগ্ৰামৰ ইতিহাসত ক'লা অধ্যায় হিচাপে চিহ্নিত এই ঘটনাত কেইবাশ লোকৰ মৃত্যু হোৱাৰ লগতে বহু লোক আহত হৈছিল।

আজিৰ দিনটোত কেইবাগৰাকী মন্ত্ৰীয়েও বীৰ ছহীদসকলৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিছে। সামাজিক মাধ্যমৰ এটা পোষ্টত গৃহমন্ত্ৰী অমিত শ্বাহে কয় যে, জালিয়ানৱালাবাগ গৈছে ব্ৰিটিছসকলৰ হিংসাত্মক আৰু অমানৱীয় শাসনৰ

জীৱন্ত উদাহৰণ। তেওঁ কয় যে, এই হত্যাকাণ্ডই দেশবাসীৰ মনত শুপ্ত হৈ থকা আন্দোলনৰ জুইকুৰাক জাগ্ৰত কৰিলে আৰু স্বাধীনতা আন্দোলনক দেশবাসীৰ সংগ্ৰামত পৰিণত কৰিলে। শ্ৰী শ্বাহে লগতে জালিয়ানৱালাবাগৰ আত্মসন্মানবোধেৰে পূৰ্ণ লোকসকলৰ জীৱন, দেশৰ প্ৰতি ত্যাগ আৰু সমৰ্পণৰ প্ৰেৰণাৰ চিৰন্তন উৎস বুলি উল্লেখ কৰে। বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ্ জয়শংকৰে কয় যে, এই হত্যাকাণ্ডই ঔপনিৱেশিকতাৰ অন্ত পেলাবৰ বাবে দেশবাসীৰ মনত অধিক দৃঢ়তাৰ সৃষ্টি কৰে। তেওঁ লগতে বিকশিত ভাৰতৰ লক্ষ্য প্ৰাপ্তি হিচাপে বৰ্তমানো এই অভিযান অব্যাহত আছে বুলি মন্তব্য কৰে।

কংগ্ৰেছ নেতা ৰাহুল গান্ধীয়ে জালিয়ানৱালাবাগ হত্যাকাণ্ডক অন্যায় শাসন ব্যৱস্থাৰ নিষ্ঠুৰতাৰ প্ৰতীক বুলি অভিহিত কৰে। সামাজিক মাধ্যমৰ এটা পোষ্টত শ্ৰী গান্ধীয়ে উল্লেখ কৰে যে, এই ঘটনা দেশৰ ইতিহাসত ক'লা অধ্যায় হিচাপে সদায় লিপিবদ্ধ হৈ ৰ'ব। ওড়িশাৰ মুখ্যমন্ত্ৰী নবীন পাটনায়কে শান্তি, সমতা আৰু মৰ্যাদাৰে পূৰ্ণ এখন পৃথিৱীৰ বাবে আন্দোলন কৰি প্ৰাণ আহুতি দিয়া লোকসকলৰ স্মৃতিত তেওঁলোকৰ প্ৰতি সন্মান জনাবলৈ সকলোকে আহ্বান জনায়। আম আদমী পাৰ্টীয়েও জালিয়ানৱালাবাগ হত্যাকাণ্ডক দেশৰ স্বাধীনতা সংগ্ৰামৰ এটা গুৰুত্বপূৰ্ণ অধ্যায় বুলি উল্লেখ কৰে। দলটোৱে সামাজিক মাধ্যমৰ এটা পোষ্টত ব্ৰিটিছৰ অন্যায় শাসনে উধম সিঙৰ দৰে বহু বিপ্লৱীক জন্ম দিলে বুলি মন্তব্য কৰে।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি কেইবাগৰাকী শীৰ্ষ গেমাৰৰ সৈতে গেমিং উদ্যোগৰ নতুন বিষয়সমূহৰ সন্দৰ্ভত আলোচনা কৰে। দেশৰ ছগৰাকী শীৰ্ষ গেমাৰৰ সৈতে মত বিনিময় কৰি প্ৰধানমন্ত্ৰীয়ে বৰ্তমানৰ চৰকাৰে গেমাৰসকলৰ সৃষ্টিশীলতাক কেনেদৰে স্বীকৃতি দিছে সেই বিষয়ত আলোকপাত কৰে। শ্ৰী মোদীয়ে আজি সামাজিক মাধ্যমত গেমাৰসকলৰ সৈতে মত বিনিময়ৰ এটা ভিডিঅ' প্ৰচাৰ কৰে। তেওঁ নাগৰিকসকলে এই ক্ষেত্ৰত আগবাঢ়ি অহা উচিত বুলি উল্লেখ কৰে। গেমিং উদ্যোগৰ আনুষ্ঠানিকীকৰণৰ প্ৰয়োজনীয়তাৰ কথা উল্লেখ কৰি শ্ৰী মোদীয়ে কয় যে, এই ক্ষেত্ৰত বিকাশৰ বাবে এটা মুক্ত পৰিৱেশ থকা উচিত।

০০০০০০০

গ্ৰীষ্মকালত দেশত উচ্চ বিদ্যুতৰ চাহিদা পূৰণ হোৱাকৈ গেছ আধাৰিত শক্তি প্ৰকল্পৰ কাৰ্যকৰীকৰণৰ বাবে চৰকাৰে সিদ্ধান্ত লৈছে। গেছ আধাৰিত উৎপাদন কেন্দ্ৰসমূহৰ পৰা সৰ্বাধিক বিদ্যুৎ উৎপাদন নিশ্চিত কৰিবলৈ চৰকাৰে বিদ্যুৎ আইনৰ ১১ নম্বৰ ধাৰাৰ অধীনত সকলো গেছ আধাৰিত উৎপাদন কেন্দ্ৰক নিৰ্দেশনা জাৰি কৰিছে। শক্তি বিভাগে এটা বিবৃতিত কয় যে, প্ৰাথমিকভাৱে বাণিজ্যিক বিবেচনাৰ বাবে গেছ উৎপাদন কেন্দ্ৰসমূহৰ এটা গুৰুত্বপূৰ্ণ অংশ বৰ্তমান অব্যৱহৃত হৈ আছে। ধাৰা ১১ৰ অধীনত এই আদেশৰ উদ্দেশ্য হৈছে পৰৱৰ্তী উচ্চ চাহিদাৰ সময়ছোৱাত গেছ আধাৰিত উৎপাদন কেন্দ্ৰৰ পৰা শক্তিৰ উপলব্ধতা নিশ্চিত কৰা। এই আদেশ ১ মে'ৰ পৰা ৩০ জুনলৈ বিদ্যুৎ উৎপাদন আৰু যোগানৰ বাবে বৈধ থাকিব বুলি বিবৃতিটোত প্ৰকাশ।

০০০০০০০

ৰাষ্ট্ৰীয় পৰীক্ষণ সংস্থা, NTA আজি CUET-PG ৰ ফলাফল ঘোষণা কৰিছে। বিশ্ববিদ্যালয় অনুদান আয়োগে সামাজিক মাধ্যমৰ এটা পোষ্টত ফলাফলসমূহ pgcuet.samarth.ac.in. ৱেবছাইট যোগে লাভ কৰিব বুলি প্ৰকাশ কৰিছে।

০০০০০০০

অসমীয়াৰ বাপতিসাহোন ৰঙালী বিহুৰ প্ৰথম দিনটো আজি গৰু বিহু হিচাপে সমগ্ৰ ৰাজ্যজুৰি উদযাপন কৰা হৈছে। পুৱাই গঞা ৰাইজে গোহালিৰ গৰুকেইটা মাহ-হালধি সানি, দীঘলতি, মাখিয়তিৰে কোবাই, নোৱাই-ধোৱাই বছৰটোলৈ গোধনৰ শ্ৰীবৃদ্ধি কামনা কৰে। সন্ধিয়ালৈ বিহলঙনি, তুহঁ, খেৰ আদিৰে জুই জ্বলাই জাগ দি গোধনক নতুন বিছনিৰে বা দিয়াৰ লগতে নতুন পঘাৰে বন্ধা হ'ব।

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ৰঙালী বিহু উপলক্ষে ৰাজ্যবাসীক শুভেচ্ছা জ্ঞাপন কৰে। যোৰহাটৰ তিতাবৰত নিৰ্বাচনী প্ৰচাৰত ব্যস্ত থকাৰ মাজতে মুখ্যমন্ত্ৰীগৰাকীয়ে ৰাজ্যবাসীলৈ ৰঙালী বিহুৰ ওলগ জনায়।

আনহাতে কাইলৈ পৰম্পৰা অনুসৰি অসমীয়া নৱবৰ্ষৰ প্ৰথম দিনটো মানুহৰ বিহু হিচাপে পালন কৰা হ'ব। মানুহৰ বিহুৰ দিনা হেঁপাহৰ বিহুৱান লৈ বছৰটোৰ বাবে ৰাজ্য বাসীয়ে পৰস্পৰৰ কুশল কামনা কৰিব।

০০০০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে ব'হাগ বিহু, বৈশাখী, বিছু, বিষুব, পইলা বৈশাখ, বৈশাখড়ী আৰু পুতণ্ডু উপলক্ষে দেশবাসীক ওলগ জনাইছে। ৰাষ্ট্ৰপতি মুৰ্মুৱে এটা বাৰ্তা যোগে দেশৰ কৃষকসকলৰ কঠোৰ পৰিশ্ৰমৰ প্ৰতি কৃতজ্ঞতা প্ৰকাশ কৰিছে। তেওঁ লগতে আজি আৰু কাইলৈ পালন কৰিবলগীয়া এই উৎসৱসমূহে সকলোৰে জীৱনলৈ শান্তি আৰু সমৃদ্ধিৰ বতৰা কঢ়িয়াই আনিব বুলি আশা প্ৰকাশ কৰিছে।

উপ ৰাষ্ট্ৰপতি জগদীপ ধনখড়েও এই উপলক্ষে দেশবাসীক অভিনন্দন জ্ঞাপন কৰিছে। শ্ৰীধনখড়ে তেওঁৰ বাৰ্তাত কৈছে যে, এই উৎসৱসমূহে বৈচিত্ৰ্যৰ মাজত একতাৰ ভাৱনাৰ সুদৃঢ় কৰে। তেওঁ কয় যে, অনন্য নাম আৰু পৰম্পৰাৰে বিভিন্ন প্ৰান্তত পালন কৰা এই উৎসৱসমূহে দেশৰ চহকী সাংস্কৃতিক ঐতিহ্যৰ সুন্দৰ ছবি উপস্থাপন কৰে।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দেশবাসীলৈ বৈশাসী উপলক্ষে শুভেচ্ছা জনাইছে। সামাজিক মাধ্যমৰ এটা পোষ্টত শ্ৰী মোদীয়ে কৃষিৰ সৈতে ওতপ্ৰোতভাৱে জড়িত এই উৎসৱে সকলোৰে জীৱনলৈ সুখ আৰু সমৃদ্ধি কঢ়িয়াই আনিব বুলি আশা প্ৰকাশ কৰে। তেওঁ লগতে কয় যে, এই উৎসৱৰ জৰিয়তে আমাৰ বৰ্ণাঢ্য পৰম্পৰাক উদযাপন কৰাৰ লগতে সম্প্ৰীতিৰ এনাজৰী প্ৰসাৰিত কৰাৰ প্ৰয়াস কৰা হয়।

০০০০০০০

লোকসভা নিৰ্বাচনৰ প্ৰথম পৰ্যায়লৈ মাজত মাথো ৬ দিন বাকী থকা অৱস্থাত ৰাজনৈতিক দলসমূহে প্ৰচাৰ অভিযান তীব্ৰতৰ কৰি তুলিছে। বিভিন্ন ৰাজনৈতিক দলৰ তাৰকা প্ৰচাৰকসকলে দেশৰ বিভিন্ন প্ৰান্তত ভোটদাতাক আকৰ্ষিত কৰাৰ উদ্দেশ্যে নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰা পৰিলক্ষিত হৈছে।

জ্যেষ্ঠ বিজেপি নেতা তথা গৃহমন্ত্ৰী অমিত শ্বাহে আজি সন্ধিয়া নয়দাৰ এখন নিৰ্বাচনী সভাত অংশ ল'ব। শ্ৰী শ্বাহে গৌতম বুদ্ধ নগৰৰ প্ৰাৰ্থী মহেশ শৰ্মাৰ হৈ নিৰ্বাচনী প্ৰচাৰ চলাব। উল্লেখযোগ্য যে এই আসনখনৰ বাবে সমাজবাদী পাৰ্টীয়ে ড০ মাহেন্দ্ৰ নাগৰৰ প্ৰাৰ্থীত্ব আগবঢ়োৱাৰ বিপৰীতে বহুজন সমাজবাদী পাৰ্টীৰ হৈ ৰাজেন্দ্ৰ চোলাংকিয়ে প্ৰতিদ্বন্দ্বিতা কৰিব। শ্ৰী শ্বাহে আজি ৰাজস্থানৰ আলৱাৰতো এটা নিৰ্বাচনী ৰেলীত অংশ ল'ব।

ইফালে, বিজেপি নেতা তথা অসমৰ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি তিনিচুকীয়া জিলাত লখিমপুৰ লোকসভা সমষ্টিৰ বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থী প্ৰদান বৰুৱাৰ হৈ প্ৰচাৰ চলায়। মুখ্যমন্ত্ৰীগৰাকীয়ে সমষ্টিটোৰ অন্তৰ্গত কাকপথাৰ ৰাজহুৱা খেলপথাৰত নিৰ্বাচনী সভাত অংশ লয়।

০০০০০০০

উত্তৰাখণ্ডৰ পাঁচোটা লোকসভা সমষ্টিৰ বাবে প্ৰথম পৰ্যায়ত নিৰ্বাচন অনুষ্ঠিত হ'ব। নিৰ্বাচনত ৰাজ্যখনৰ ৮৩ লাখ ৩৭ হাজাৰ ৯১৪ গৰাকী ভোটদাতাই ৫৫ গৰাকী প্ৰাৰ্থীৰ ভাগ্য নিৰ্ণয় কৰিব। আমাৰ সংবাদদাতাই প্ৰকাশ কৰা মতে নেইনিতাল-উধমসিং নগৰ লোকসভা আসনৰ বাবে ১০ গৰাকী প্ৰাৰ্থীয়ে প্ৰাৰ্থীত্ব আগবঢ়াইছে। ইয়াৰ ভিতৰত বিজেপিৰ প্ৰাৰ্থী তথা প্ৰতিৰক্ষা বিভাগৰ ৰাজ্য মন্ত্ৰী অজয় ভাট, কংগ্ৰেছৰ প্ৰকাশ যোশী, বি এছ পিৰ আখতাৰ আলী আৰু ইউ কে ডিৰ শিৱ সিং আছে। দুগৰাকী নিৰ্দলীয় প্ৰাৰ্থীয়েও এই আসনখনৰ বাবে প্ৰাৰ্থীত্ব আগবঢ়াইছে।

০০০০০০০

কংগ্ৰেছ কেন্দ্ৰীয় নিৰ্বাচন সমিতিৰ এখন বৈঠক আজি দিল্লীৰ মুখ্য কাৰ্যালয়ত অনুষ্ঠিত হ'ব। বৈঠকত সমাগত লোকসভা নিৰ্বাচনৰ প্ৰাৰ্থী বাচনিৰ সন্দৰ্ভত আলোচনা কৰা হ'ব। দলৰ সভাপতি মল্লিকাৰ্জুন খাৰ্গে বৈঠকত অধ্যক্ষতা কৰিব। বৈঠকত কংগ্ৰেছ সংসদীয় দলৰ অধ্যক্ষ ছোনীয়া গান্ধী, দলৰ মহাসচিব কে চি বেণুগোপালকে ধৰি দলৰ আন জ্যেষ্ঠ নেতাসকল উপস্থিত থকাৰ সম্ভাৱনা আছে।

০০০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি মহালিত হ'বলগীয়া এখন খেলত পাঞ্জাব কিংছ ৰাজস্থান ৰয়েলছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

ইপিনে, দেলহি কেপিটেলছে যোৱানিশা লক্ষ্ণৌত অনুষ্ঠিত এখন খেলত লক্ষ্ণৌ ছুপাৰ জায়েণ্টছক ৬ উইকেটত পৰাস্ত কৰে।

০০০০০০০

**ঃ সমাপ্ত ঃ**